# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-02-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---------------------

১। এডভাণ্টেজ আছাম সন্মিলন সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মুম্বাইত কেইবাগৰাকীও উদ্যোগীক সাক্ষাৎ।

২। বিগত তিনিমাহত ২ লাখ দেশী-বিদেশী পৰ্যটকৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ আগমন।

৩। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি।

৪। গুৱাহাটী এছিয়ান ফিল্ম ফেষ্টিবেলৰ আজি অন্তিম দিনা কেইবাটাও মনোজ্ঞ অনুষ্ঠান। **আৰু**

৫। কটকৰ বাৰাৱতী ষ্টেডিয়ামত আজি ভাৰত আৰু ইংলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল।

০০০০০০

অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত ৰাজ্যখনত হ'বলগীয়া এডভাণ্টেজ আছাম শীৰ্ষক বিনীয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ দ্বিতীয় সংস্কৰণ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি মুম্বাইত কেইবাগৰাকীও শীৰ্ষ উদ্যোগীক সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰীয়ে এই সাক্ষাৎকালত তেওঁলোকক অসম চৰকাৰে শেহতীয়াকৈ ষ্টাৰ্ট আপ আৰু উদ্ভাৱন নীতিত অনুমোদন জনাইছে বুলি জানিবলৈ দিয়ে। কালি মুম্বাইত জে এছ ডব্লিঅ' গোটৰ অধ্যক্ষ সজ্জন জিন্দালৰ সৈতে হোৱা আলোচনাত তেওঁ লগতে আন্তঃগাথনি তথা শক্তিখণ্ডত ৰাজ্য চৰকাৰৰ সৈতে প্ৰতিষ্ঠানটোৰ অংশীদাৰিত্বৰ সম্ভাৱনা সম্পৰ্কে আলোচনা কৰে। ৰাজ্যত বিনিয়োগকাৰীক আকৰ্ষিত কৰাৰ বাবে লোৱা বিভিন্ন পদক্ষেপৰ বিষয়ে শ্ৰীজিন্দালক অৱগত কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্য চৰকাৰে পৰৱৰ্তী ৫ বছৰত ৫ হাজাৰ ষ্টাৰ্টআপ প্ৰতিষ্ঠানক সহায় কৰাৰ লগতে এক লাখ কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাৰ লক্ষ্যৰে অগ্ৰসৰ হৈছে। তেওঁ কয়, যে ৰাজ্যখনত এতিয়া ভাসমান সৌৰশক্তি প্ৰকল্প, জৈৱ চি এন জিৰ পৰা সেউজ হাইড্ৰ'জেনলৈকে সেউজ শক্তি আহৰণৰ দিশত সুযোগ সৃষ্টি হৈছে। ৰাজ্যখনে বিনিয়োগকাৰীসকলৰ বাবে সুচল নীতি প্ৰস্তুত কৰা বুলিও তেওঁ মন্তব্য কৰে। ড০ শৰ্মাই জে এছ ডব্লিঅ' গোটৰ অধ্যক্ষ সজ্জন জিন্দালক আসন্ন এডভাণ্টেজ আচাম সন্মিলনৰ দ্বিতীয় সংস্কৰণলৈ আমন্ত্ৰণ জনায়। পাছত মুখ্যমন্ত্ৰীয়ে ৰেলস্পন ৱৰ্ল্ডৰ অধ্যক্ষ বি কে গোৱেঙ্কাকো সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে শ্ৰীগোয়েংকাৰ সৈতে বস্ত্ৰ, শক্তি, জল পৰিশোধন আৰু আন্তগাথনি আদি বিষয় লৈ আলোচনা কৰে। অধ্যক্ষগৰাকীক এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণলৈ আমন্ত্ৰণ জনাই প্ৰতিষ্ঠানটোৰ অসমৰ বিভিন্ন খণ্ডত কাম কৰাৰ পৰিকল্পনাসমূহক কাৰ্যৰূপ দিয়াত এই সন্মিলন উপযুক্ত মঞ্চ হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ড০ শৰ্মাই কালি এছাৰ গ্ৰুপৰ উপাধ্যক্ষ ৰুবী ৰুইয়াক সাক্ষাৎ কৰি অসমত ইলেকট্ৰিক ট্ৰাক নিৰ্মাণ আৰু নবীকৰণযোগ্য শক্তিৰ ক্ষেত্ৰত সম্ভাব্য সহযোগিতাৰ বিষয়ে আলোচনা কৰে।০০০

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত চলিত বৰ্ষত বাঘ নিৰীক্ষণ কৰিবলৈ কেমেৰা সংস্থাপনৰ কাম আৰম্ভ কৰা হৈছে। উদ্যানখনৰ লাওখোৱা বুঢ়াচাপৰিৰ লগতে কেইবাটাও এলেকাত এই কাম সম্পন্ন হৈছে বুলি ৰাষ্ট্ৰীয় উদ্যানখনৰ ক্ষেত্ৰ সঞ্চালক ড০ সোণালী ঘোষে প্ৰকাশ কৰে। তেওঁ কয়, যে পশু-পক্ষীৰ বিচৰণৰ সুবিধাৰ্থে

নিয়ন্ত্ৰিতভাৱে বনাঞ্চলৰ আংশিক দাহ কাৰ্য সম্পূৰ্ণ হোৱা এলেকাসমূহত কেমেৰা সংস্থাপন কৰা হৈছে। তেওঁ লগতে কয়, যে যোৱা বছৰ সংস্থাপন কৰা কেমেৰাৰ পৰা লাভ কৰা ৮ লাখ আলোকচিত্ৰৰ পৰা বাঘ গণনা প্ৰক্ৰিয়া চলি আছে। সঞ্চালকগৰাকীয়ে কয়, যে উদ্যানখনত সম্প্ৰতি ১০৪টা বাঘৰ অৱস্থিতি আছে যদিও অনাগত সময়ত বাঘৰ সংখ্যা বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

উল্লেখযোগ্য যে, বিগত তিনি মাহত এক লাখ ৯৬ হাজাৰৰো অধিক দেশী-বিদেশী পৰ্যটকে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰিছে। উদ্যানখনত পৰ্যটকৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাইছে বুলি উল্লেখ কৰি ৰাষ্ট্ৰীয় উদ্যানখনৰ ক্ষেত্ৰ সঞ্চালক ড০ ঘোষে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এই পৰ্যটকসকলৰ ভিতৰত এক লাখ ৯০ হাজাৰ ৪৭ গৰাকী দেশীয় আৰু ৬ হেজাৰ ৯২৩ গৰাকী বিদেশী পৰ্যটক। উল্লেখযোগ্য যে, যোৱা মাহত ৬৪ হাজাৰ ৮৪৪ গৰাকী দেশী-বিদেশী পৰ্যটকে ৰাষ্ট্ৰীয় উদ্যানখন ভ্ৰমণ কৰে। ইয়াৰে ২ হাজাৰ ৬ গৰাকী বিদেশী পৰ্যটক বুলি সঞ্চালকগৰাকীয়ে প্ৰকাশ কৰিছে।০০০

০০০০০০

যোৰহাটৰ ম'হবন্ধা এৰালতলী পথাৰৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰত চলি থকা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিবেশনৰ আজি সামৰণি পৰিব। আজি পুৱা ৫ বজাত পৰিৱেশ নিকাকৰণ, প্ৰাতঃ প্ৰসংগৰ লগতে পুৱা ৮ বজাৰ পৰা নৱনিৰ্বাচিত সদস্যসকলৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা আৰু দিনৰ ভাগত সেৱা বাহিনীৰ অন্তৰংগ অনুষ্ঠান, ধৰ্মালোচনা সভাৰো আয়োজন কৰা হৈছে। আজিৰ অনুষ্ঠানত বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰী, মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰাৰ কথা। সন্ধিয়াৰ ভাগলৈ সংঘৰ মূল পতাকা অৱনমিত কৰি পৰৱৰ্তী আয়োজক সমিতিৰ হাতত অৰ্পণ কৰা হ'ব।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশনৰ বাবে তেজপুৰ জিলা শাখাই আয়োজক সমিতিৰ পৰা সংঘৰ মূল পতাকা গ্ৰহণ কৰিব।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে অধিৱেশনৰ তৃতীয় দিনা কালি পুৱা সংঘৰ নৱনিৰ্বাচিত পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই সংঘৰ মূল পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে ভাগৰত ভ্ৰমণ আৰু বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। অসমৰ জাতি-জনগোষ্ঠীৰ কলা-সংস্কৃতি প্ৰদৰ্শন কৰাৰ লগতে হৰিনামৰ ধ্বনিৰে আকাশ-বতাহ মুখৰিত হয়। এই শোভাযাত্ৰাত বিত্তমন্ত্ৰী অজন্তা নেওগৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা সহস্ৰাধিক ভকত বৈষ্ণৱে অংশগ্ৰহণ কৰে। সন্ধিয়া অধিৱেশনৰ মূল মঞ্চত সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত কৰাৰ লগতে নামপ্ৰসংগ আৰু অংকীয়া নাটো পৰিৱেশন কৰা হয়।

আজি নিশা সমূহীয়া প্ৰাৰ্থনাৰে ৯৪ সংখ্যক অধিৱেশনৰ কাৰ্যসূচীৰ সামৰণি পৰিব।

০০০০০০

গুৱাহাটীৰ জ্যোতি চিত্ৰবনত অনুষ্ঠিত গুৱাহাটী এছিয়ান ফিল্ম ফেষ্টিভেলৰ আজি সামৰণি পৰিব। যোৱা শুকুৰবাৰৰ পৰা অনুষ্ঠিত এই চলচ্চিত্ৰ মহোৎসৱত ইৰান, নেপাল, উজবেকিস্তান, কাজাখস্তান, বাংলাদেশ, হংকং, আজাৰবাইজান, ফিলিপিন্‌ছ, শ্ৰীলংকা আৰু তুৰস্কৰ কুৰিখন নিৰ্বাচিত ছবি প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয়। ইয়াৰ লগতে মহোৎসৱৰ প্ৰতিযোগিতামূলক শাখাত উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ছবি প্ৰদৰ্শিত হয়। আজি অন্তিম দিনাৰ কাৰ্যসূচী সন্দৰ্ভত সম্প্ৰতি জ্যোতি চিত্ৰবনত থকা আমাৰ সহযোগী মৃদুস্মিতা শৰ্মাই এইদৰে কয়- ***(ভইচ)***

০০০০০০

ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী পীযূষ হাজৰিকাই নতুন দিল্লীত কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰক সাক্ষাৎ অসমত এখন দিব্যাংগ বিশ্ববিদ্যালয় স্থাপন কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছে।

দিব্যাংগসকলক সামৰ্থ-শক্তিক ৰাষ্ট্ৰ আৰু সমাজৰ নিৰ্মাণ কাৰ্যত নিয়োজিত কৰাৰ বাবে তেওঁলোকক শিক্ষা আৰু দক্ষতা, বিকাশ আৰু কৰ্মসংস্থাপনৰ দিশত দিব্যাংগ বিশ্ববিদ্যালয়ে উল্লেখনীয় ভূমিকা পালন কৰিব পাৰে বুলি মন্ত্ৰী হাজৰিকাই উল্লেখ কৰে। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি অসমত এনে এখন বিশ্ববিদ্যালয় স্থাপন কৰিব লাগে বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক সাক্ষাৎ কৰি প্ৰস্তাৱ আগবঢ়ায়।

০০০০০০

পৰীক্ষাৰ সময়চোৱা ছাত্ৰ জীৱনৰ সম্পূৰ্ণ স্বাভাৱিক অংশ হিচাপে গন্য কৰি ফলাফলৰ বাবে কোনো ধৰণৰ অতিৰিক্ত চাপ নোলোৱাকৈ শিক্ষাৰ্থীসকল পৰীক্ষাত অৱতীৰ্ণ হোৱা উচিত। আকাশবাণীৰ দৃষ্টিপাত অনুষ্ঠানত কালি অসম জাতীয় বিদ্যালয়ৰ শিক্ষয়িত্ৰী অপৰ্ণা দেৱী আৰু মনোৰোগ বিশেষজ্ঞ ডাঃ মৈথিলী হাজৰিকাই এই বিষয়ে প্ৰকাশ কৰে। তেওঁলোকে কয়, যে পৰীক্ষাৰ বাবে পিতৃ-মাতৃ বা অভিভাৱকে ছাত্ৰ-ছাত্ৰীক অনাহক চাপ দিয়াৰ পৰিৱৰ্তে তেওঁলোকক ইতিবাচক মানসিকতাৰে উৎসাহিত কৰা প্ৰয়োজন। তদুপৰি শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকে ছাত্ৰ-ছাত্ৰীৰ সৈতে মুকলিকৈ আৰু অন্তৰংগভাৱে কথা পতা আৰু সান্নিধ্যত থকা প্ৰয়োজন বুলি তেওঁলোকে উল্লেখ কৰে।

*(বাইট)*

ম'বাইল ফোনৰ ব্যৱহাৰ নিয়ন্ত্ৰণ সন্দৰ্ভত মনোৰোগ বিশেষজ্ঞ ডাঃ হাজৰিকাই এদিনত দুঘণ্টাতকৈ অধিক ম'বাইল ফোন ব্যৱহাৰ কৰাটোৱে ইয়াৰ প্ৰতি আসক্তি সূচায় আৰু সেয়েহে শিক্ষাৰ্থীৰ লগতে পৰিয়ালৰ সকলোৱে নিৰ্দিষ্ট সময়ৰ বাবেহে ম'বাইল ফোন ব্যৱহাৰ কৰাৰ লগতে কিছুসময় একেবাৰে ম'বাইল ফোনটো ব্যৱহাৰ নকৰাকৈ থকাটো অভ্যাসত পৰিণত কৰা উচিত বুলি মন্তব্য কৰে।

০০০০০০

অসমক অৰ্থনৈতিক বিকাশ আৰু উন্নয়নৰ কেন্দ্ৰৰূপে গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰ বদ্ধপৰিকৰ বুলি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। লখিমপুৰ জিলাৰ চুকুলিভৰীয়াত কালি বিনিয়োগ আৰু আন্তঃগাথনি সন্মিলন এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ৰাজ্যজুৰি গ্ৰহণ কৰা ব্যৱস্থাৰ অংশ হিচাপে আয়োজিত জিলা পৰ্যায়ৰ কৰ্মশালাত সভাপতিত্ব কৰি জিলাখনৰ অভিভাৱক মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। এই দৃষ্টিভংগীৰ দিশৰ পৰা জিলা পৰ্যায়ৰ কৰ্মশালাখন অতিকে গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি তেওঁ কয়, যে বিনিয়োগকাৰী আৰু ব্যৱসায়ীসকলৰ লখিমপুৰ, ধেমাজী আৰু মাজুলি জিলালৈ আদৰণি জনাবলৈ তেওঁলোকে আগ্ৰহেৰে বাট চাই আছে। কৰ্মশালাত অংশ লৈ বিহপুৰীয়াৰ বিধায়ক ডঃ অমিয় কুমাৰ ভূঞাই স্থানীয় উদ্যমীসকলক এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণত অংশ গ্ৰহণ কৰিবলৈ আৰু অঞ্চলটোত উদ্যমশীলতাৰ বাবে অনুকূল বাতাবৰণ গঢ়ি তুলিবলৈ আহ্বান জনায়।

০০০০০০

সমগ্ৰ শিক্ষা অসমৰ পৃষ্ঠপোষকতাত, অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ সৌজন্যত তথা তিনিচুকীয়া জিলা ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ উদ্যোগত কালি বিজ্ঞান অনুসন্ধান শিশু সমাৰোহ অনুষ্ঠিত কৰা হয়। মাকুমৰ গংগা বিচন চৌখানি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই কাৰ্যসূচীত তিনিচুকীয়া জিলাৰ ৫টা শিক্ষাখণ্ডৰ কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী, তত্বাৱধায়ক শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে সমল ব্যক্তি আৰু মূল্যায়নকাৰী বিষয়াসকলক মানপত্ৰ প্ৰদান কৰাৰ লগতে ৰাজ্যিক পৰ্যায়ৰ সমাৰোহলৈ প্ৰকল্প বাছনি কৰা হয়।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ে দ্বিতীয়বাৰৰ বাবে অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় সাহিত্য মহোৎসৱৰ কালি সামৰণি পৰে। এই মহোৎসৱত ভাৰতৰ লগতে বিশ্বৰ ২৬ খন দেশৰ কমেও ১২০ গৰাকী লেখক, সাহিত্যিকে অংশগ্ৰহণ

কৰে। মহোৎসৱৰ দিনকেইটাত ৪৯ খন আলোচনা সত্ৰ আৰু কেইবাখনো কৰ্মশালা অনুষ্ঠিত হয়। আফ্ৰিকাক কেন্দ্ৰীয় বিষয় হিচাপে লৈ আয়োজন কৰা এই মহোৎসৱত আফ্ৰিকাৰ কেইবাগৰাকীও লেখকে অংশগ্ৰহণ কৰি ভাষণ দিয়ে। কলা, সাহিত্য আৰু সংস্কৃতি বিষয়ক স্বেচ্ছাসেৱী অনুষ্ঠান ফ'কেলৰ উদ্যোগত আৰু বিশ্ববিদ্যালয়খনৰ সহযোগত আয়োজিত এই মহোৎসৱৰ সামৰণি অনুষ্ঠানত কালি বিয়লি বিদেশৰ পৰা অহা লেখকসকলক সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত সম্প্ৰতি অধ্যয়ন কৰি থকা ৪০ গৰাকী বিদেশী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৩০ গৰাকী আফ্ৰিকাৰ।

০০০০০০

ধেমাজি জিলাৰ জিয়াঢলৰ আমোলগুৰিৰ ভোগালী সমন্বয় ক্ষেত্ৰত চলি থকা সোণোৱাল কছাৰী সাহিত্য সভাৰ দ্বিতীয় পূৰ্ণাংগ অধিৱেশনৰ কালি দ্বিতীয় দিনা জনগোষ্ঠীয় সাহিত্য সন্মিলন অনুষ্ঠিত হয়। সোণোৱাল কছাৰী সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি গুণেশ্বৰ সোণোৱালে সন্মিলন উদ্বোধন কৰে। এই অনুষ্ঠানত কেইবাখনো জনগোষ্ঠীয় সাহিত্য সভাৰ প্ৰতিনিধি উপস্থিত থাকে। ইয়াৰ পাছতে কবি সন্মিলন আৰু সভাৰ পত্ৰিকা উন্মোচন কৰা শুকুৰবাৰৰ পৰা অনুষ্ঠিত এই অধিৱেশনৰ আজি তৃতীয় দিনা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব।

০০০০০০

৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ কালি ঘোষণা হোৱা ফলাফলত ৪৮ খন আসনত বিজেপিয়ে জয়লাভ কৰাৰ বিপৰীতে ২২ খন আখনত আম আদমী পাৰ্টি জয়ী হোৱা বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে। বাতৰিটো দৈনিক অসম কাকতে **আপৰ দুৰ্গ ভেদি দিল্লীত বিজেপি** আৰু অসমীয়া খবৰ কাকতে **বিজেপিৰ ছাৰ্জিকেল ষ্ট্ৰাইকত টছনছ আপ** শিৰোনামেৰে প্ৰকাশ কৰিছে। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দিল্লীত বিজেপিৰ বিজয়ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰা বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

যোৰহাটৰ ম'হবন্ধা এৰালতলী পথাৰৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰত চলি থকা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিবেশনথলী কালি তৃতীয় দিনাও লোকাৰণ্য হৈ পৰে। সংঘৰ মূল পতাকা উত্তোলন কৰাৰ পাছতে ভাগৱত ভ্ৰমণ আৰু বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা বাতৰিটো আজিৰ কাকতসমূহে আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। এই সন্দৰ্ভত দৈনিক অগ্ৰদূত কাকতৰ শিৰোনাম **হৰিনামৰ ধ্বনি, উৰুলী, দবা, শংখ, খোল, তালৰ ধ্বনিৰে মুখৰিত এৰালতলী পথাৰ**।

ৰাজ্য চৰকাৰে শেহতীয়াকৈ অসম ষ্টাৰ্ট আপ আৰু উদ্ভাৱন নীতিত অনুমোদন জনাইছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি মুম্বাইত জে এছ ডব্লিউ গোটৰ অধ্যক্ষ সজ্জন জিন্দালৰ সৈতে হোৱা আলোচনাৰ অন্তত প্ৰকাশ কৰিছে। বাতৰিটো দ্যা ছেণ্টিনেল আৰু আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

গাজা ষ্ট্ৰীপত যুদ্ধ স্থগিত ৰখাৰ বাবে কৰা চুক্তিৰ অংশ হিচাপে ইজৰাইলে ১৮৩ জন পেলেষ্টাইনি কয়দী মুকলি কৰি দিয়াৰ বিপৰীতে হামাছে তিনিজন পনবন্দীক মুকলি কৰি দিয়াৰ বাতৰি দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

বিশিষ্ট প্ৰযোজক যোগীৰাজ চৌধুৰীৰ দেহাৱসানৰ বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

ফিল'বাৰী আৰক্ষী আৰু কাকপথাৰ আৰক্ষীয়ে অভিযান চলাই যোৱা নিশা ফিল'বাৰীৰ গাভৰুভেটি গোপিগোলাত ড্ৰাগছ ব্যৱসায়ৰ লগত জড়িত এজনক আটক কৰে। ধৃত লোকজন ফিল'বাৰী আমগুৰিৰ মনোজ কুমাৰ শৰ্মা ওৰফে মুন্না বুলি আৰক্ষীৰ সূত্ৰই জনাইছে। আটক কৰা মনোজ শৰ্মাৰ পৰা প্ৰায় ১২ গ্ৰাম ড্ৰাগছ, এখন মটৰচাইকেল আৰক্ষীয়ে জব্দ কৰিছে। ইয়াৰ পূৰ্বে চাবুৱাত ড্ৰাগছ সহ মনোজ কুমাৰ শৰ্মাৰ দুই পুত্ৰকো আৰক্ষীয়ে আটক কৰিছিল।

০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি কটকৰ বাৰাৱতী ষ্টেডিয়ামত খেলোৱা হ'ব। খেলখন দিনৰ ডেৰ বজাত আৰম্ভ হ'ব। ভাৰতে নাগপুৰত অনুষ্ঠিত প্ৰথমখন এদিনীয়াত ৪টা উইকেটত জয়লাভ কৰিছিল।

০০০০০০

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত অসমে এতিয়ালৈকে ৩টা সোণ, ১৫টা ৰূপ আৰু ১৫টা ব্ৰঞ্জৰ পদকেৰে সৰ্বমুঠ ৩৩টা পদক অৰ্জন কৰিছে। আজি নেটবল, টেবুল টেনিছ, জিন্নাষ্টিক আৰু জুডোত পদক জয়ৰ বাবে অসমৰ খেলুৱৈসকল অৱতীৰ্ণ হ'ব। আজি পুৰুষৰ টেবুল টেনিছৰ ডাবলছত প্ৰিয়ানুজ ভট্টাচাৰ্যৰ নেতৃত্বত অসমে প্ৰথম খেলত অৱতীৰ্ণ হ'ব।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে লনবল পেয়াৰ শিতানত অসমৰ নয়নমণি শইকীয়া আৰু বনগীতা হাজৰিকাৰ যুটীটোৱে কালি স্বৰ্ণ পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়। ইয়াৰ লগতে পুৰুষৰ এশ মিটাৰ ফাইনেলত অম্লান বৰগোহাঁইয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। একেদৰে টাইকোৱাণ্ডোৰ গ্ৰুপ পমচি শিতানত অসমৰ মৰ্ণিতা আচাৰ্যী, বেনলা কাম্প্ৰায় আৰু পঞ্চমী দাসৰ দলটোৱে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। উল্লেখযোগ্য যে লনবলৰ তিনিটা শিতানত ছেমি ফাইনেলত প্ৰৱেশ কৰি অসমে ইতিমধ্যে পদক নিশ্চিত কৰিছিল।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী আৰু পাছলৈ বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

আনহাতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অৰুণাচলত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। অসম, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত ঠাই বিশেষে বতৰ শুকান হৈ থকাৰ লগতে ঠাই বিশেষে কম-বেছি পৰিমাণে কুঁৱলী পৰিব বুলি আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত